# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 04-02-2025
**Time :** 19-10   Hrs

***Assamese Evening Bulletin***
***Headlines***

১।  বৰ্তমান চৰকাৰে দুখীয়া জনসাধাৰণৰ কল্যানৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৰ ফলস্বৰূপে ২৫ কোটি লোক দৰিদ্ৰতাৰ কবলৰ পৰা মুক্ত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে।

২।  বাংলাদেশৰ সৈতে থকা ভাৰতৰ মুঠ ৪ হাজাৰ ৯৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ সীমান্তৰ ৩ হাজাৰ ২৩২ কিলোমিটাৰৰো অধিক অংশত বেৰ স্থাপন কৰা হৈছে।

৩।  চৰকাৰে প্ৰধানমন্ত্ৰী কিষাণ যোজনাৰ অধীনত সমগ্ৰ দেশৰ খেতিয়কসকললৈ ৩ লাখ কোটিৰো অধিক টকা আগবঢ়াইছে।

৪।  চলিত বিত্তীয় বৰ্ষত প্ৰাকৃতিক দুৰ্যোগৰ বাবে বৰ্তমানলৈকে দুহেজাৰ ৯৩৬ গৰাকী লোকে প্ৰাণ হেৰুৱাইছে।
*আৰু*

৫।  ৭০ জনীয়া দিল্লী বিধানসভাৰ বাবে কাইলৈ ভোটগ্ৰহণ কৰা হ'ব।

০০০০

বৰ্তমান চৰকাৰে দুখীয়া জনসাধাৰণৰ কল্যানৰ বাবে গ্ৰহণ কৰা ব্যৱস্থাৰ ফলস্বৰূপে ২৫ কোটি লোক দৰিদ্ৰতাৰ কবলৰ পৰা মুক্ত হৈছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। লোকসভাত আজি ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সম্পৰ্কীয় আলোচনাৰ উত্তৰ দি শ্ৰীমোদীয়ে এইদৰে মন্তব্য কৰে। তেওঁ কয়, যে চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতা, নিষ্ঠা আৰু কঠোৰ পৰিশ্ৰমৰ বাবে এয়া সম্ভৱ হৈ উঠিছে। চৰকাৰে বিত্তীয় ব্যৱস্থাপনাৰ নিয়ম মানি চলি উন্নয়নৰ  বাবে কাম কৰি আছে বুলি প্ৰধানমন্ত্ৰীয়ে কয়।

ৰাষ্ট্ৰপতিৰ ভাষণৰ প্ৰশংসা কৰি শ্ৰীমোদীয়ে কয়, যে এই ভাষণে চৰকাৰৰ বিকশিত ভাৰত গঢ়াৰ প্ৰচেষ্টাক গতি প্ৰদান কৰিছে। চৰকাৰে গ্ৰহণ কৰা বিভিন্ন ব্যৱস্থাৰ বিষয়ে আলোকপাত কৰি তেওঁ কয়, যে দুখীয়া জনসাধাৰণক ৪ কোটি বাসগৃহ প্ৰদান কৰা হৈছে তথা সমগ্ৰ দেশত ১২ কোটি শৌচালয় নিৰ্মাণ কৰা হৈছে আৰু ইয়াৰ ফলত বিশেষকৈ মহিলাসকলৰ জীৱন সুচল হৈ পৰিছে।  তেওঁ কয় যে জলজীৱন অভিযানৰ অধীনত দুখীয়া জনসাধাৰণলৈ নলযোগে পানী যোগানৰ উদ্দেশ্যে ১২  কোটিৰো অধিক সংযোগ প্ৰদান কৰা হৈছে আৰু ইয়াৰ ফলত পানীৰ পৰা হোৱা ৰোগ হ্ৰাস পাইছে। শ্ৰীমোদীয়ে কয় যে তেওঁৰ কাৰ্যকালত মূলধনী ব্যয়ৰ বাবে বাজেটত আৱণ্টন কৰা ধন চকুত লগা ধৰণে বৃদ্ধি কৰা হৈছে আৰু এই ধন এঘাৰ লাখ ২১ হাজাৰ কোটি টকাৰো অধিক আছে। চৰকাৰে শাসন ব্যৱস্থালৈ অনা স্বচ্ছতাৰ বাবে কোটি কোটি টকা ৰাহি হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে দাবী কৰে। শ্ৰীমোদীয়ে কয়, যে বিভিন্ন আঁচনিৰ হিতাধিকাৰীসকলৰ চিনাক্তকৰণৰ জৰিয়তে ৩ লাখ কোটি টকা ৰাহি কৰিব পৰা গৈছে।

বিগত ১০ বছৰত মধ্যবিত্ত শ্ৰেণীলৈ কৰ উদগণি প্ৰদানৰ বাবে ভালেমান ব্যৱস্থা লোৱা হৈছে আৰু ইয়াৰ ফলত ভালেখিনি ধন ৰাহি হৈছে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয়, যে চৰকাৰে অলপতে বছৰি ১২ লাখ টকালৈকে আয়কৰ ৰেহাইৰ কথা ঘোষণা কৰিছে আৰু এই ব্যৱস্থা মধ্যবিত্ত শ্ৰেণীৰ বিত্তীয় সৱলিকৰণৰ বাবে লোৱা এটা গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে পৰিগণিত হৈছে। বৰ্তমান চৰকাৰে দেশত যুৱ প্ৰজন্মৰ বাবে কৰ্মসংস্থাপনৰ সুবিধা বৃদ্ধি কৰিছে বুলি শ্ৰীমোদীয়ে দাবী কৰে।

০০০০

ইয়াৰ পূৰ্বে ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সম্পৰ্কীয় আলোচনাত অংশ লৈ সমাজবাদী পাৰ্টীৰ সাংসদ অখিলেশ যাদৱে মহাকুম্ভমেলাত হোৱা হেচা থেলাৰ ঘটনাৰ বিষয়ে উত্থাপন কৰে আৰু উত্তৰ প্ৰদেশ চৰকাৰ প্ৰয়াগৰাজৰ স্থিতি নিয়ন্ত্ৰণত ব্যৰ্থ হোৱা বুলি অভিযোগ উত্থাপন কৰে। ব্যাপক সম্ভাৱনা আৰু উৎস সত্বেও বৰ্তমান চৰকাৰৰ অধীনত দেশে নিৰ্মাণত সম্ভাৱনা সদ্ব্যৱহাৰ কৰিব পৰা নাই বুলিও তেওঁ অভিযোগ তোলে।

আলোচনাত ভাগ লৈ টি এম চিৰ সাংসদ সৌগত ৰায়ে কয়, যে নিৰ্মাণৰ দিশৰ পৰা দেশ কেইবাখনো দেশতকৈ পিছপৰি আছে আৰু এইক্ষেত্ৰত অগ্ৰগতিৰ বাবে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ আৱশ্যকতা আছে। চৰকাৰে মেক ইন ইণ্ডিয়া উদ্যমৰ অধীনত বিগত ১০ বছৰত লাভ কৰা সাফল্যৰ তথ্য আৰু পৰিসংখ্যা প্ৰকাশ কৰা উচিত বুলিও তেওঁ মন্তব্য কৰে। বিজেপিৰ নেতা সঞ্জয় জয়ছোৱালে আলোচনাত ভাগ লৈ কয়, যে বিৰোধী পক্ষৰ অধিকাংশ সদস্যই ৰাষ্ট্ৰপতিৰ ভাষণত উল্লেখ কৰা বিষয়সমূহত গুৰুত্ব আৰোপ কৰাৰ বিপৰীতে অপ্ৰাসংগিক বিষয় উত্থাপন কৰি আছে। মহিলা সৱলিকৰণ সম্পৰ্কে মত প্ৰকাশ কৰি তেওঁ কয়, যে চৰকাৰে নিৰ্দিষ্ট সময়ৰ ভিতৰত ৩ কোটি মহিলা লাখপতি দিদি হিচাপে গঢ়ি তোলাৰ লক্ষ্য স্থিৰ কৰিছে। কংগ্ৰেছৰ চৰণজিৎ সিং চৈনীয়ে কয়, যে এন ডি এ চৰকাৰৰ দিনত খেতিয়ক আৰু সংখ্যালঘু সম্প্ৰদায়ৰ সৈতে ভেদভাৱ কৰা হৈছে। তেওঁ কয়, যে চৰকাৰ নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতি পূৰণ কৰাত ব্যৰ্থ হৈছে। তেওঁ লগতে প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙক ভাৰতৰত্ন সন্মানেৰে বিভূষিত কৰিবলৈ দাবী জনায়।

আলোচনাত হস্তক্ষেপ কৰি কেন্দ্ৰীয় মন্ত্ৰী তথা অপনা দল এছৰ নেত্ৰী অনুপ্ৰিয়া পেটেলে কয়, যে বিত ১০ বছৰত নৰেন্দ্ৰ মোদী নেতৃত্বাধীন এন ডি এ চৰকাৰে ইয়াৰ পৰিকল্পনা আৰু নীতিসমূহৰ জৰিয়তে দেশলৈ ইতিবাচক পৰিৱৰ্তন আনিছে আৰু বিকশিত ভাৰতৰ ৰূপৰেখা প্ৰস্তুত কৰি উলিয়াইছে। ভাৰত সম্প্ৰতি বিশ্বৰ আটাইতকৈ আকৰ্ষণীয় বিনিয়োগথলী ৰূপে পৰিগণিত হৈছে বুলিও তেওঁ মন্তব্য কৰে। ০০০০

০০০০

বাংলাদেশৰ সৈতে থকা ভাৰতৰ মুঠ ৪ হাজাৰ ৯৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ সীমান্তৰ ৩ হাজাৰ ২৩২ কিলোমিটাৰৰো অধিক অংশত বেৰ স্থাপন কৰা হৈছে। কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে আজি লোকসভাত এটা লিখিত উত্তৰত এই কথা প্ৰকাশ কৰে। তেঁও কয়, যে বেৰ স্থাপনৰ ফলত সীমান্তৰে হোৱা অপৰাধমূলক গতিবিধি, চোৰাং বেহা আৰু অপৰাধীৰ অনুপ্ৰৱেশৰ ঘটনা হ্ৰাস পাইছে আৰু সীমান্তক অপৰাধমুক্ত কৰি তোলাত ই সহায় কৰিছে। মন্ত্ৰীগৰাকীয়ে কয়, যে বাংলাদেশৰ সৈতে থকা দেশৰ প্ৰায় ৮৬৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ এটা অংশত বেৰ স্থাপন কৰিবলৈ বাকী আছে আৰু ইয়াৰে ১৭৪ কিলোমিটাৰৰো অধিক অংশ দুৰ্গম অঞ্চল।

০০০০

- চৰকাৰে প্ৰধানমন্ত্ৰী কিষাণ যোজনাৰ অধীনত সমগ্ৰ দেশৰ খেতিয়কসকললৈ ৩ লাখ কোটিৰো অধিক টকা আগবঢ়াইছে। কৃষি আৰু কৃষক কল্যাণ ৰাজ্যমন্ত্ৰী ৰামনাথ ঠাকুৰে আজি লোকসভাত এটা লিখিত উত্তৰত এই কথা প্ৰকাশ কৰে। শ্ৰীঠাকুৰে লগতে সম্প্ৰতি এই আঁচনিৰ ধন বৃদ্ধি কৰাৰ কোনো প্ৰস্তাৱ নাই বুলি স্পষ্ট কৰি দিয়ে।

০০০০

চলিত বিত্তীয় বৰ্ষত প্ৰাকৃতিক দুৰ্যোগৰ বাবে বৰ্তমানলৈকে দুহেজাৰ ৯৩৬ গৰাকী লোকে প্ৰাণ হেৰুৱাইছে। কেন্দ্ৰীয় গৃহ ৰাজ্যমন্ত্ৰী নিত্যানন্দ ৰায়ে আজি লোকসভাত এটা লিখিত উত্তৰত এই তথ্য প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে প্ৰাকৃতিক দুৰ্যোগৰ বাবে হিমাচল প্ৰদেশত সৰ্বাধিক ৪০৮ গৰাকী লোকে প্ৰাণ হেৰুৱা বুলি জানিবলৈ দিয়ে। ইয়াৰ উপৰি চলিত বৰ্ষত প্ৰাকৃতিক দুৰ্যোগৰ বাবে ৬১ হাজাৰৰো অধিক পশুধনৰ প্ৰাণ নাশ হোৱা আৰু ৩ লাখ ৬০ হাজাৰৰো অধিক বাসগৃহৰ ক্ষতি সাধন হয়। ইয়াৰ ভিতৰত অসমত সৰ্বাধিক এক লাখ ৫৬ হাজাৰ বাসগৃহৰ ক্ষতিসাধন হোৱা বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০

বিদেশী মূলৰ ব্যক্তিৰ বাবে বাৰ্ষিক ভিত্তিত সৰ্বাধিক ৩ বাৰ প্ৰৱেশৰ অনুমতিৰ সৈতে আয়ুষ ভিচা জাৰি কৰা হৈছে বুলি চৰকাৰে প্ৰকাশ কৰিছে। আয়ুষ ৰাজ্যমন্ত্ৰী প্ৰতাপ ৰাও যাধৱে আজি ৰাজ্যসভাত এটা লিখিত উত্তৰত এই কথা প্ৰকাশ কৰি কয়, যে সংশ্লিষ্ট বিদেশী আঞ্চলিক পঞ্জীয়ন কাৰ্যালয়ে জাৰি কৰা দিনৰ পৰা সৰ্বাধিক ৫ বছৰলৈ এই বিচাৰ ম্যাদ বৃদ্ধি কৰিব পৰা যায়। তেওঁ কয়, যে আয়ুষ ভিচা লাভ কৰাৰ বাবে বিদেশী নাগৰিকসকলে নিজ দেশৰ কোনো স্বীকৃতিপ্ৰাপ্ত চিকিৎসালয়ৰ চিকিৎসা প্ৰমাণ পত্ৰ অথবা পৰামৰ্শ দাখিল কৰিব লাগিব।

০০০০

কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰী জে পি নাড্ডাই আজি প্ৰকাশ কৰে যে অদূৰ ভৱিষ্যতে কোনো ধৰণৰ মহামাৰীৰ মুখামুখি হোৱাৰ বাবে দেশৰ এটা শক্তিশালী ব্যৱস্থা আছে। তেওঁ কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত দেশত কোনো ধৰণৰ মহামাৰীৰ মোকাবিলা কৰাৰ বাবে এটা শক্তিশালী আৰু আত্মনিৰ্ভৰশীল ব্যৱস্থা আছে। ৰাজ্যসভাৰ শূন্যকালত এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত তেওঁ এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে উদ্ভৱ হোৱা কোনো ধৰণৰ মহামাৰীৰ সন্দৰ্ভত সতৰ্ক দৃষ্টি ৰখাৰ বাবে দেশত ৰোগ নিয়ন্ত্ৰণৰ ৰাষ্ট্ৰীয় কেন্দ্ৰ আছে। শ্ৰীনাড্ডাই কয়, যে ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদৰ অধীনত দেশত ১৫০ টা সংক্ৰমিত ৰোগ নিৰূপনৰ পৰীক্ষাগাৰ আছে।

০০০০

ইলেকট্ৰনিক্স আৰু তথ্য প্ৰযুক্তি দপ্তৰৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে যে দেশত বিগত ১০ বছৰত মোবাইল আৰু ইলেকট্ৰনিক সামগ্ৰী উৎপাদনত উল্লেখযোগ্য অগ্ৰগতি লাভ কৰা হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত তেওঁ কয়, যে ২০১৪ চনত দেশত মাত্ৰ দুটা মোবাইল নিৰ্মাণ গোট আছিল যদিও এতিয়া ৩০০ ৰো অধিক মোবাইল নিৰ্মাণ গোট আছে। মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে যে, মোবাইল ফোনৰ নিৰ্মাণ ক্ৰমান্বয়ে ২০১৪ চনত ১৮ হাজাৰ ৯০০ কোটি টকাৰ বিপৰীতে ২০২৪ চনত ইয়াৰ পৰিমাণ ৪ লাখ ২২ হাজাৰ কোটি টকা হয়। মোবাইলৰ ৰপ্তানী এক লাখ ২৯ হাজাৰৰো অধিক হৈছে বুলি তেওঁ জানিবলৈ দিয়ে। বিগত দশকত মোবাইল ফোন নিৰ্মাণ খণ্ডত প্ৰত্যক্ষ আৰু পৰোক্ষভাৱে ১২ লাখ কৰ্মসংস্থাপন সৃষ্টি কৰিবলৈ সক্ষম হৈছে।

০০০০

৭০ জনীয়া দিল্লী বিধানসভাৰ বাবে কাইলৈ ভোটগ্ৰহণ কৰা হ'ব। নিৰ্বাচন নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। পুৱা ৭ বজাত ভোটগ্ৰহণ আৰম্ভ হ'ব আৰু সন্ধিয়া ৬ বজাত সামৰণি পৰিব। এইবাৰৰ নিৰ্বাচনত ১ কোটি ৫৬ লাখ ভোটদাতাই ৬৯৯ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। অহা শনিবাৰে এই নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব।

নিৰ্বাচন আয়োগে দিল্লীৰ বিধানসভা নিৰ্বাচনৰ বাবে এক লাখ ৮০ হাজাৰৰো অধিক বিষয়া-কৰ্মচাৰী নিয়োগ কৰিছে।

০০০০

সমাপ্ত